## ‘বেদ’ শব্দৰ ব্যুৎপত্তি আৰু পৰ্যায় বাচক শব্দবোৰ

‘বেদ’ শব্দটো সাধিত হৈছে জ্ঞানাৰ্থক ‘ৱিদ্’ (জ্ঞান সামান্যে) ধাতুৰ পৰা। ‘বিদ্ + অচ্’ = বেদ। বেদ শব্দৰ সাধাৰণ অৰ্থ জ্ঞান। কিন্তু ই বৰ্তমান বিষয়ত পৰম জ্ঞানক বুজাইছে। মানুহে সাধাৰণতে চকু, কান, নাক, জিভা আৰু ত্বক্ বা ছাল—এই পঞ্চ ইন্দ্ৰিয়ৰে পাঁচ প্ৰকাৰ পাৰ্থিব জ্ঞান অৰ্জন কৰে। সিবোৰ ক্ৰমশঃ ৰূপ, শব্দ, গন্ধ, ৰস আৰু স্পৰ্শ—জ্ঞান বুলি জনা যায়। কিন্তু এইবোৰ ইন্দ্ৰিয়ই অতীন্দ্ৰিয় জ্ঞান দিব নোৱাৰে। ঋষি যাজ্ঞবল্ক্যই কৈছে যে অতীন্দ্ৰিয় জ্ঞান দিব পাৰে একমাত্ৰ বেদশাস্ত্ৰই। তেওঁ কৈছে যে প্ৰত্যক্ষ আৰু অনুমানৰ দ্বাৰা যি জ্ঞান লাভ সম্ভৱ নহয় সেই অতীন্দ্ৰিয় জ্ঞান লাভ হয় বেদৰ পৰা—

প্ৰত্যক্ষেনানু মিত্যা বা য়স্তূপায়ো নি ৱিদ্যতে।
এনং ৱিদন্তি ৱেদেন তস্মাদ্ ৱেদস্য ৱেদতা।।

বেদ শব্দৰ কেইবাটাও প্ৰচলিত প্ৰতিশব্দ অমৰকোষৰ শব্দাদিবৰ্গত পোৱা যায়। যেনে—শ্ৰুতি, বেদ, আম্নায়, ত্ৰয়ী, আগম, ছন্দস্ প্ৰভৃতি। এই পৰ্যায়বাচক শব্দবোৰে বৈদিক পৰম্পৰাৰ বৈশিষ্ট্য প্ৰকাশ কৰে। যেনে—শ্ৰুতি (শ্ৰু + ক্তিন্)—যাৰ দ্বাৰা ধৰ্ম বাণী শুনা যায়। বেদ (বিদ্ + অচ্ )—ধৰ্ম জনা যায় ইয়াৰ দ্বাৰা। আম্নায়-(আ + ম্না + ঘঞ্) - ধৰ্মৰ উপদেশ হয় ইয়াৰ দ্বাৰা ইত্যাদি।

ওপৰত দিয়া পৰ্যায়বাচক শব্দবোৰৰ ভিতৰত ‘শ্ৰুতি’ শব্দই বিশেষ তাৎপৰ্য বহন কৰে। বৈদিক যুগত লেখন পদ্ধতিৰ প্ৰচলন নাছিল। গুৰুৰ মুখৰ পৰা বেদবাণী শুনি শিষ্যই কণ্ঠস্থ কৰিছিল। এইদৰে গুৰু-শিষ্য পৰম্পৰাক্ৰমে বেদবিদ্যাৰ প্ৰচলন হৈছিল বাবে বেদক শ্ৰুতি বোলা হয়।

## ত্ৰয়ী বা ত্ৰয়ী বিদ্যা

বেদক প্ৰায়ে ত্ৰয়ী বা ত্ৰয়ী বিদ্যাও বোলা হয়। ত্ৰয়ী বা ত্ৰয়ী বিদ্যা বোলোতে ঋক্, যজুস্ আৰু সামবেদক বুজা যায়। যাগ-যজ্ঞত ক্ৰমে হোতাই ঋগ্বেদৰ মন্ত্ৰ সমষ্টি 'শস্ত্ৰ' পাঠ কৰে, উদ্‌গাতাই 'সাম্' গান গায় আৰু অধ্বৰ্যুয়ে যজুস্ মন্ত্ৰ মাতি অগ্নিত দেৱতাসকললৈ হব্য-ঘৃতাদি অৰ্পণ কৰে। গতিকে যজ্ঞকৰ্মত ত্ৰয়ী বিদ্যাৰ মন্ত্ৰৰ প্ৰয়োগ হয়, বিশেষতঃ শ্ৰৌত যাগবোৰত। ঋক্, যজুস্ আৰু সামমন্ত্ৰক ত্ৰয়ী বা ত্ৰয়ী বিদ্যা বোলা হয়। ইয়াৰ মাজত অথৰ্ববেদ পৰিগণিত নহয়। এই লৈ বাদানুবাদ নোহোৱা নহয়। পূৰ্ব মীমংসা দৰ্শনৰ প্ৰণেতা ঋষি জৈমিনিয়ে ঋক্, সাম্ আৰু যজুস্ এই তিনি প্ৰকাৰ মন্ত্ৰৰ লক্ষণ নিম্নোক্তধৰণে নিৰ্দেশ কৰিছে—

তেষামৃক্ য়ত্ৰ অৰ্থবশেন পাদৱ্যৱস্থা (জৈঃ সূঃ ২/১/৩৫)
গীতিষু সামাখ্যা (জৈঃ সূঃ ২/১/৩৬)
শেষে য়জুঃ শব্দঃ (জৈঃ সূঃ ২/১/৩৭)

বেদৰ যিবোৰ মন্ত্ৰত অৰ্থ অনুসৰি ছন্দঃ আৰু পাদব্যৱস্থা আছে, সেইবোৰ ঋক্ মন্ত্ৰ। যিবিলাক ঋক্ মন্ত্ৰ গোৱা হয় সেইবোৰক সাম বোলা হয়। যিবোৰ মন্ত্ৰ উক্ত দুই লক্ষণৰ ভিতৰত নপৰে সেইবোৰক যজুস্ মন্ত্ৰ বোলা হয়। ইয়াৰ তাৎপৰ্য ব্যাখ্যা কৰি কোনো কোনো পণ্ডিতে কয় যে অথৰ্ব বেদৰ মন্ত্ৰবোৰো ছন্দোময় আৰু পাদব্যৱস্থাৰ ভিতৰত পৰে। সেয়ে অথৰ্ববেদৰ মন্ত্ৰৰ সুকীয়া লক্ষণ দিয়া হোৱা নাই।

কিছুমানে বৈদিক যুগৰ আদিছোৱাত অথৰ্ব বেদৰ অস্তিত্ব লৈ সন্দেহ প্ৰকাশ কৰে। কিন্তু ঋগ্বেদৰ দশম মণ্ডলৰ পুৰুষসূক্তত (১০/৯০/৯) চাৰিওখন বেদৰ উৎপত্তি পুৰুষৰ পৰা যে হৈছে তাকে কোৱা হৈছে—

তস্মাদ্ য়জ্ঞাৎ সৰ্বহুতঃ ঋচঃ সামানি জজ্ঞিৰে।
ছন্দাংসি জজ্ঞিৰে তস্মাদ্ য়জুস্তস্মাদজায়ত।।

অৰ্থাৎ সেই যজ্ঞৰ পৰা ঋক্, সাম্, ছন্দ আৰু যজুস্ মন্ত্ৰবোৰ উৎপন্ন হয়। ইয়াত বাকী তিনিবেদৰ লগতে 'ছন্দোময়' (অথৰ্ব বেদৰো) উৎপত্তি হোৱা বুলি কোৱা হৈছে।

একেদৰে আন এটা ঋকত অথৰ্ববেদক জাতবিদ্যা ৰূপে ব্ৰহ্মাই আবৃত্তি কৰা বুলি কোৱা হৈছে —

ঋচাং ত্বঃ পোষমাস্তে পুপুষ্বান্
গায়ত্ৰং ত্বো গায়তি শক্কৰীষু
ব্ৰহ্মা ত্বো ৱদতি জাতৱিদ্যাং
য়জ্ঞস্য মাত্ৰাং বিমিমীত উ ত্বঃ।।

যজ্ঞত এজনে ঋক্‌মন্ত্ৰৰে পুষ্টিসাধন কৰে, এজনে গায়ত্ৰ মন্ত্ৰ শক্কৰী ছন্দত

গায়, ব্ৰহ্মাই জাতবিদ্যা আবৃত্তি কৰে আৰু এজনে যজ্ঞীয় শালা, বেদী, কুণ্ডৰ মাত্ৰা জোখ-মাপ কৰে। ইয়াতো  অথৰ্ববেদৰ উল্লেখ ত্ৰয়ীৰ লগতে কৰা হৈছে। গতিকে জৈমিনিয়ে ত্ৰয়ীৰ লক্ষণ ক'লেও আথৰ্বনীয় মন্ত্ৰৰ লক্ষণো তাৰ ভিতৰত পৰিছে।

## বেদৰ লক্ষণ

বেদ বুলিলে কোন কোন শাস্ত্ৰক বুজায় সেইটোও জনা আৱশ্যক। আপস্তম্ব নামে সূত্ৰকাৰ এজনে তেওঁৰ পৰিভাষাত বেদৰ লক্ষণ এইদৰে দিছে, 'মন্ত্ৰ ব্ৰাহ্মণয়োৰ্ৱেদ নামধেয়ম্'। অৰ্থাৎ মন্ত্ৰ আৰু ব্ৰাহ্মণক বেদ বোলা হয়। ভাষ্যকাৰ সায়ণাচাৰ্যয়ো কৈছে 'মন্ত্ৰব্ৰাহ্মণাত্মকঃ শব্দৰাশিৰ্ৱেদঃ'। গতিকে বেদ বুলিলে মন্ত্ৰ আৰু ব্ৰাহ্মণ দুয়ো ভাগকে বুজিব লাগে। ব্ৰাহ্মণৰ আকৌ তিনিটা ভাগ। বিধি-অৰ্থবাদাত্মক যজ্ঞীয় বৰ্ণনাসহ ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ্। উপনিষদ্ কেতিয়াবা সংহিতাৰ অন্তত (যেনে ঈশোপনিষদ্ বাজসনেয়ী সংহিতাৰ অন্তত) কেতিয়াবা আৰণ্যকৰ মাজত আৰু কেতিয়াবা অন্তত থাকে।

# সংহিতাবোৰৰ চমু আভাস

## ঋগ্বেদ

ঋগ্বেদৰ পাঁচটা শাখাৰ নাম শৌনকৰ চৰণব্যূহত পোৱা যায় ঃ শাকল, বাস্কল, আশ্বালায়ন, শাংখায়ন আৰু মাণ্ডূকায়ন। একমাত্ৰ শাকল সংহিতাৰ বাহিৰে আন চাৰি শাখাৰ অস্বিত্বৰ কথা জনা নাযায়। শাকল সংহিতাত ১০৫৫২টা মন্ত্ৰ আছে। এই মন্ত্ৰবোৰ দহটা মণ্ডলত ভাগ কৰা হয়। প্ৰথম মণ্ডলক শতৰ্চিন, দ্বিতীয়ৰ পৰা সপ্তম পৰ্যন্ত ছয় মণ্ডলক কুলমণ্ডল বোলা হয়। অষ্টম মণ্ডলক প্ৰগাথ মণ্ডল, নৱম মণ্ডলক সোম-পৱমান আৰু দশম মণ্ডলক ক্ষুদ্ৰসূক্ত-মহাসূক্ত বুলি কোৱা হয়। কিছুসংখ্যক ঋক্ মন্ত্ৰৰ সমষ্টিক সূক্ত বোলা হয়। সূক্তবোৰৰ একোটা সংকলনক মণ্ডল বোলা হয়। আধুনিক পণ্ডিতসকলে কোনো মন্ত্ৰৰ উল্লেখ কৰোঁতে মণ্ডল, সূক্ত আৰু মন্ত্ৰ বুজাবলৈ তিনিটা সংখ্যা ব্যৱহাৰ কৰে। যেনে— ১.১.১, এই সংখ্যা তিনিটাই ঋগ্বেদৰ প্ৰথম মণ্ডলৰ প্ৰথম সূক্তৰ প্ৰথম মন্ত্ৰটোক বুজায়।

সূক্ত বা মন্ত্ৰৰ স্ৰষ্টাক দ্ৰষ্টা বুলি কোৱা হয়। সেই বাবে দ্ৰষ্টাজন ঋষি পদবাচ্য। পঠন-পাঠনৰ সময়ত পাঠকে মন্ত্ৰ বা সূক্তৰ ঋষি, ছন্দ, দেৱতা আৰু বিনিয়োগৰ উল্লেখ কৰিব লাগে।

আচাৰ্য শৌনকে তেওঁৰ বৃহদ্দেৱতাত কৈছে —  
অবিদিত্বা ঋষিং ছন্দো দৈৱতং য়োগমেং চ।  
য়োহধ্যাপয়েজ্জপৈদ ৱাপি পাপীয়ান্ জায়তে তু সঃ।।

অৰ্থাৎ ‘ঋষি, দেৱতা, ছন্দ আৰু বিনিয়োগ নজনাকৈ মন্ত্ৰ পাঠ বা জপ কৰিলে লোকে পুণ্য সঞ্চয় কৰা দূৰত থাকক অধিক পাপীহে হয়।’

আন এজন আচাৰ্য কাত্যায়নে ঋষি আদি পদৰ পৰিভাষা বৰ সংক্ষিপ্তকৈ এনেদৰে দিছে; য়স্য ৱাক্যং স ঋষিঃ, যা তেন উচ্যতে সা দেৱতা, অক্ষৰ পৰিমাণং ছন্দ, য়োগঃ বিনিয়োগঃ।

অৰ্থাৎ যাৰ বাক্য তেঁৱে ঋষি, যাৰ কথা কোৱা হয় সেয়ে দেৱতা, অক্ষৰৰ সংখ্যাই ছন্দক বুজায় আৰু যোগেই বিনিয়োগ (মন্ত্ৰৰ যজ্ঞত প্ৰয়োগ)। উদাহৰণ ঃ অগ্নিমীড়ে ইতি মন্ত্ৰস্য ৱৈশ্বামিত্ৰো মধুচ্ছন্দা ঃ ঋষিঃ, অগ্নিৰ্দেৱতা, গায়ত্ৰী ছন্দঃ জপে-হোমে চ বিনিয়োগঃ।

ঋগ্বেদৰ ঋষিসকলে প্ৰকৃতিৰ অনেক শক্তি আৰু সত্তাক মন্ত্ৰবোৰত স্তুতি

কৰিছিল। সেই দেৱতাসকলক স্তুতি কৰাৰ লগতে হোমাগ্নিত আহুতি দিয়াৰ আগে পাছে পুৰোনুৱাক্যা যাজ্যা আৰু অনুৱাক্যাৰূপে ঋগ্বেদীয় মন্ত্ৰবোৰ উচ্চাৰণ কৰিছিল। যজ্ঞৰ্হ দেৱতা সকলৰ মাজত ইন্দ্ৰ, অগ্নি আৰু সোমৰ প্ৰাধান্য আৰু জনপ্ৰিয়তা আছিল সৰ্বাধিক। সেয়ে দেখা যায় ঋগ্বেদৰ সৰ্বমুঠ ১০২৮টা সূক্তৰ এক চতুৰ্থাংশত ইন্দ্ৰৰ, এক পঞ্চমাংশত অগ্নিৰ আৰু এক অষ্টমাংশত সোমৰ স্তুতি পোৱা যায়। একেদৰে অশ্বিদ্বয়, মৰুৎসকল, ঊষা, বৰুণ, ঋভুসকল, সৱিতা, পূষা আদি দেৱতাসকলেও প্ৰাধান্য লাভ কৰিছিল। বিষ্ণু, ৰুদ্ৰ, সূৰ্য, বায়ু বা বাত, পৰ্জন্য, ভগ, ৰাত্ৰি আদি দেৱতাসকলেও সমাদৰ লাভ কৰিছিল বৈদিক আৰ্যসকলৰ মাজত।

সকলো বেদৱিদ্ পণ্ডিতে একমুখে স্বীকাৰ কৰিছে যে ঋগ্বেদ ইণ্ডো-ইউৰোপীয় আৰ্য সাহিত্যৰ মাজত সৰ্বপ্ৰাচীন গ্ৰন্থ। খৃষ্টপূৰ্ব পাঁচ ছহেজাৰ বছৰৰ আগতে ঋগ্বেদৰ মন্ত্ৰবোৰ আৰ্য সকলৰ মুখে মুখে শুনা গৈছিল।

তিনি বেদ-সাম, যজুস্ আৰু অথৰ্ববেদৰ ওপৰত ঋগ্বেদৰ অসীম প্ৰভাব পৰিছে। সামবেদৰ প্ৰায় সকলো মন্ত্ৰ ঋগ্বেদত পোৱা যায়। যজুৰ্বেদৰ ওপৰতো ঋগ্বেদৰ প্ৰভাব অনস্বীকাৰ্য। অথৰ্ববেদৰ (শৌনক সংহিতাৰ) প্ৰায় শতকৰা ২২% মন্ত্ৰ ঋগ্বেদৰ পৰা লোৱা হৈছে। বিশেষতঃ অথৰ্ববেদৰ ঊনবিংশ আৰু বিংশ কাণ্ডৰ মন্ত্ৰবোৰ ঋগ্বেদৰ পৰা ধাৰ কৰা। ঋগ্বেদৰ পাতত দেৱ-দেৱতাসকলৰ পুৰাকল্প প্ৰচুৰ পৰিমাণে পোৱা যায়। বেদৰ দেৱতাসকলৰ অৱয়ৱ মানবোচিত। ইন্দ্ৰৰ সকলো কাৰ্য অলৌকিক। বজ্ৰ তেওঁৰ প্ৰধান অস্ত্ৰ। সেই অস্ত্ৰেৰে তেওঁ বৃত্ৰক বধ কৰা ঘটনাৰ উল্লেখ ঋগ্বেদৰ পাতত ভৰি আছে। তেওঁ বৃত্ৰক বধ কৰি জলধাৰা বোৱাইছিল। একেদৰে তেওঁ দিবোদাসৰ বাবে শম্বৰাসুৰক বধ কৰিছিল। দাশৰাজ্ঞ যুদ্ধত তেওঁ সুদাসৰ পশুলৈ দহ-বাৰজন আৰ্য অনাৰ্যৰ জাক সিপুৰীলৈ পঠাইছিল। একেদৰে তেওঁ হৰিয়ূপিয়া যুদ্ধত সৃঞ্জয় আৰু চয়মানৰ পুত্ৰ অভ্যাৱৰ্তীক সহায় কৰিছিল আৰু বৃচীবানৰ বংশধৰ সকলক পৰাস্ত কৰিছিল। ইন্দ্ৰক মঘৱা বা ধনবান বোলা হৈছে। তেওঁ ভক্তসকলক ধন দান কৰিছিল। তেওঁ সোমৰস পান কৰি শক্তিমন্ত হৈ ভক্তসকলক সহায় কৰিছিল।

ঋগ্বেদত অগ্নিৰ মানবোচিত অৱয়ৱ পৰিপূৰ্ণ। তেওঁ ঘৃতপৃষ্ঠ, আৰু শোচিষ্কেশ। তেওঁ হব্যবাহ। তেওঁ দেৱদূত। যজ্ঞত তেওঁ ঋত্বিক্ পুৰোহিত হৈ কাৰ্যনিৰ্বাহ কৰে। তেওঁ গৃহপতি। তেওঁ যজমানৰ পিতা, মাতা, ভ্ৰাতা। তেৰোঁ যজমানক ধন দান কৰে।

একেদৰে ঋগ্বেদত মিত্ৰ, বৰুণ, সবিতা, মৰুৎসকল, অশ্বিদ্বয়, পৰ্জন্য, ত্বষ্টা, ঋভুসকল, ৰুদ্ৰ, বিষ্ণু, সূৰ্য আদি দেৱতাই মানৱীয় শৰীৰ ধাৰণ কৰি কেতিয়াবা অলৌকিক কৰ্ম কৰাৰ উল্লেখ আছে। সোমৰ বৰ্ণনা চকুত লগা। ঊষা, ৰাত্ৰি, পৃথিৱী, অদিতি আদি দেবীৰো স্তুতি ঋগ্বেদত পোৱা যায়।

ঋগ্বেদত ভালেমান দাৰ্শনিক ভাবপুষ্ট সূক্ত সন্নিবিষ্ট হৈছে। ঋঃ ১/১৬৪; ১০, ৭২; ১০, ৮১-৮২; ১০, ৯০; ১০, ১২১; ১০, ১২৫; ১০, ১২৯; ১০, ১৩০; ১০,

১৭০ আদি সূক্তত অস্যৱাম বা দাক্ষায়নী-বিশ্বকৰ্মা, পুৰুষ হিৰণ্যগৰ্ভ, বাগ্‌দেবী, পৰমেষ্ঠী, প্ৰজাপতি, বিভ্ৰাত্‌-বিৰাট্‌ আদিৰ স্তুতিৰ মাজেৰে সৃষ্টিতত্বৰ ৰহস্য উদ্‌ঘাটনৰ যত্ন কৰিছে ঋষিসকলে।

ঋগ্বেদৰ পাতত ভালেসংখ্যক সংবাদ সূক্তও আছে। এনে সূক্তবোৰৰ ভিতৰত অগস্ত্য-লোপামুদ্ৰা (ঋ ১/১৭৯), বিশ্বামিত্ৰ আৰু নদীসকল (৩/৩৩); উৰ্বশী আৰু পুৰূৰৱা সংবাদ (১০/৯৫) যম-যমী সংবাদ (১০/১১০); সৰমা আৰু পনিসকল (১০/১০৮) আদি সুখ্যাত।

অক্ষসূক্ত (১০/৩৪), ভিক্ষুসূক্ত (১০/১১৭), মণ্ডূক সূক্ত (৭/১০৩) আদি সূক্তক ধৰ্মনিৰপেক্ষ বুলি কোৱা হয়।

ঋগ্বেদ আদি বেদ চতুষ্টয় যদিও ধৰ্মগ্ৰন্থ বুলি চিহ্নিত তথাপি ইয়াৰ পাতত ঐতিহাসিক তথ্য বিৰল নহয়। দিবোদাসশম্বৰ যুদ্ধ, হৰিয়ূপীয়া যুদ্ধ আৰু দাশৰাজ্ঞ যুদ্ধৰ বৰ্ণনাৰ মাজত বেদজ্ঞ পণ্ডিতসকলে প্ৰাগৈতিহাসিক আৰু ঐতিহাসিক তথ্য দেখা পাইছে। তদুপৰি ঋগ্বেদৰ পাতত ইতস্ততঃ প্ৰাপ্ত দানস্তুতিবোৰে ইতিহাসৰ খণ্ডচিত্ৰ বুলি পণ্ডিতসকলে দাবী কৰে।

## সামবেদ

ঋগ্বেদক জগতৰ সাহিত্যত সৰ্বপ্ৰাচীন সাহিত্য বোলাত কাৰো আপত্তি নাই। একেদৰে সামবেদো ঋগ্বেদৰ দৰেই প্ৰাচীন। কাৰণ ৭৫টা মন্ত্ৰৰ বাহিৰে সামবেদৰ প্ৰায় সকলোবোৰ মন্ত্ৰ ঋগ্বেদৰ ১৮৭৫ পাতৰ পৰা আহৃত। গীতাৰ বিভূতি যোগত ভগবানে নিজকে বেদৰ মাজত সামবেদ বুলিছে (বেদানাং সামৱেদোহস্মি)।

সামবেদৰ চৰ্চা আৰম্ভ হৈছে কৌথুম সংহিতাৰ দ্বাৰা। ৰানায়নীয় আৰু জৈমিনি সংহিতাৰ ব্যাপক চৰ্চা এতিয়াও হোৱা নাই।

'সাম' মন্ত্ৰবোৰৰ মূল ঋক্ (ঋক্ সাম্নাং য়োনিঃ)। আচাৰ্য জৈমিনিয়ে পূৰ্বমীমাংসাৰ পাতত কৈছে 'যত্ৰ অৰ্থৱশেন পাদব্যৱস্থা সা ঋক্। গীতিষু সামাখ্যা। শেষে য়জুঃশব্দঃ'। ইয়াৰ পৰা বুজা যায় 'সাম'বোৰ গীত বা গান। আবৃত্তিৰ সময়ত ঋক্‌বোৰ উদাত্ত, অনুদাত্ত আৰু স্বৰিত স্বৰৰ সহায় লোৱা হয়। কিন্তু একেবোৰ ঋক্ সামগানৰূপে গাওঁতে সপ্তস্বৰৰ আশ্ৰয়ত গীতৰূপে গোৱা হয়। উক্ত স্বৰবোৰ ক্ৰমে ঃ ক্ৰুষ্ট, প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, মন্ত্ৰ আৰু অতিস্বাৰ্য। পিছলৈ মাৰ্গসঙ্গীতত এই সাতোটা স্বৰেই ষড়জ, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত আৰু নিষাদ নাম পাইছে।

ঋক্ মন্ত্ৰবোৰ সাম গান কৰি গাওঁতে সিবোৰ ছয় প্ৰকাৰে বিকৃত হয়। সিবোৰে ক্ৰমশঃ বিকাৰ, বিশ্লেষণ, বিকৰ্ষণ, অভ্যাস, বিৰাম আৰু স্তোভৰ মাজেৰে গানৰ উপযোগী হয়।

সামগানৰ পদ্ধতি জটিল। সাধাৰণতে সামবেদী ঋত্বিক্ উদ্‌গাতাই আন তিনিজন সহকাৰী ঋত্বিকৰ সহায়ত সামগীত পৰিৱেশন কৰে।

তলত কৌথুম শাখাৰ চমু ৰূপৰেখা মাত্ৰ দিয়া হ'ল ঃ

সামবেদৰ প্ৰধান ভাগ দুটা। আৰ্চিক আৰু গান। আৰ্চিকৰো ভাগ দুটা, পূৰ্বাৰ্চিক আৰু উত্তৰাৰ্চিক। পূৰ্বাচিকত আছে ছটা প্ৰপাঠক। উত্তৰাৰ্চিকত আছে নটা প্ৰপাঠক।

পূৰ্বাচিকৰ প্ৰথম প্ৰপাঠকক লৈ আগ্নেয় কাণ্ড দ্বিতীয় চতুৰ্থ প্ৰপাঠকক লৈ ঐন্দ্ৰ কাণ্ড, পঞ্চম প্ৰপাঠকক লৈ পাৱমান কাণ্ড আৰু ষষ্ঠ প্ৰপাঠকক লৈ আৰণ্যক কাণ্ড গঠিত।

ইয়াৰ অন্য ভাগ গান। ই চাৰিভাগত বিভক্ত; গ্ৰামগেয় গান, আৰণ্যগেয় গান, ঊহগান আৰু ঊহ্যগান। পূৰ্বাৰ্চিকৰ মন্ত্ৰ সংখ্যা ৬৫০। উত্তৰাৰ্চিকৰ মন্ত্ৰৰ সংখ্যা ১২২৫। দুয়ো আৰ্চিকৰ মন্ত্ৰ সংখা (৬৫০ + ১২২৫ =) ১৮৭৫।

আৰণ্যগেয় গানবোৰ সকলোৰে শ্ৰব্য নহয়। সেইবাবে সিবোৰ লোকালয়ৰ পৰা দূৰত, অৰণ্য নাইবা মৰুভূমিতহে গেয়। অন্যথা শ্ৰোতাৰ অনিষ্ট হ'বৰ আশংকা।

## যজুৰ্বেদ

ঋগ্বেদ আৰু সামবেদৰ সৈতে যজুৰ্বেদো ত্ৰয়ীৰ অন্তৰ্গত। ইয়াৰ মন্ত্ৰবোৰ প্ৰায়ে গদ্যত ৰচিত আৰু যজুস্ নামে জনাজাত। যজ্ ধাতুৰ পৰা যজুঃ শব্দ নিষ্পন্ন হৈছে। যজ্ ধাতুৰ অৰ্থ যজ্ঞ কৰা। ইয়াৰ মন্ত্ৰবোৰক অনিয়তাক্ষ ৰাৰসানো য়জুঃ' বুলি কোৱা হয়। যিহেতু এই বেদ অধ্বৰ্যু নামে ঋত্বিকৰ হাত পুথি সেয়ে ইয়াক 'আধ্বৰ্যৰ' বা 'কৰ্মবেদ' বোলা হয়।

এই বেদৰ দুটা ভাগ দেখা যায়, কৃষ্ণযজুৰ্বেদ আৰু শুক্লাযজুৰ্বেদ। দুয়োখন বেদৰ ভিতৰত কৃষ্ণযজুৰ্বেদ অধিক পুৰণি। তাৰ তুলনাত শুক্ল যজুৰ্বেদ অৰ্বাচীন। কৃষ্ণ যজুৰ্বেদৰ ছয়াশীটা শাখাৰ ভিতৰত এতিয়া মাত্ৰ চাৰিটা শাখাহে পোৱা যায়। সেই কেইখন হ'ল ঃ তৈত্তিৰীয়, কাঠক, কঠ-কপিষ্টল আৰু মৈত্ৰায়ণী শাখা। আনহাতে শুক্লযজুৰ্বেদৰ (বাজসনেয়ী সংহিতাৰ) দুটা শাখা—কাণ্ব আৰু মাধ্যন্দিন শাখা প্ৰচলিত হৈ আছে।

শুক্লযজুৰ্বেদ কেবল পদ্যাত্মক মন্ত্ৰৰ সংকলন। আনহাতে কৃষ্ণ যজুৰ্বেদত মন্ত্ৰ আৰু গদ্যাত্মক ব্ৰাহ্মণৰ সংমিশ্ৰণ ঘটিছে। এই ক্ষেত্ৰত কৃষ্ণ' শব্দটো 'মিশ্ৰ' অৰ্থত ব্যৱহৃত হৈছে। তৈত্তিৰীয়, কাঠক, কঠ-কপিষ্টল আৰু মৈত্ৰায়ণী সংহিতা মূলতঃ গদ্যত ৰচিত।

কৃষ্ণ যজুৰ্বেদ বা তৈত্তিৰীয় সংহিতা নিতান্ত মহত্বপূৰ্ণ। এই সংহিতা সাতটা কাণ্ডত বিভক্ত। ইয়াৰ মন্ত্ৰৰ সংখ্যা ১৯০০।

মৈত্ৰায়ণী সংহিতা চাৰিখণ্ডত বিভক্ত। ইয়াৰ মন্ত্ৰ সংখ্যা ২১৪৪। ইষ্টিযাগ, চাতুৰ্মাস্য, বাজপেয়, ৰাজসূয়, অশ্বমেধৰ দৰে গুৰুত্বপূৰ্ণ যজ্ঞবোৰ ইয়াত বৰ্ণিত হৈছে।

কৃষ্ণ যজুৰ্বেদৰ ভিতৰুৱা কাঠক সংহিতাখন পাঁচকাণ্ডত বিভক্ত। ইয়াতো বিবিধ সৰু-বৰ যাগ যজ্ঞৰ ভিতৰত পশুবন্ধ, বাজপেয়, ৰাজসূয়, চাতুৰ্মাস্য আৰু সৌত্ৰামনী যজ্ঞৰ বৰ্ণনা পোৱা যায়।

কঠ-কপিষ্টল সংহিতা অষ্টক, অধ্যায় আদি বিভাজনত বিভক্ত। ই চৰক শাখাৰ উপশাখা।

শুক্ল যজুৰ্বেদ ঃ শুক্লযজুৰ্বেদৰ আন নাম বাজসনেয়ী সংহিতা। ইয়াৰ দুই শাখা কাণ্ব আৰু মাধ্যন্দিন সংহিতা।

কোৱা বাহুল্য যে উক্ত দুয়ো শাখাৰ বিষয়বস্তু একে। পাৰ্থক্য মাত্ৰ বিষয় বস্তুৰ চয়নত। এই সংহিতা ৪০টা অধ্যায়ত বিভক্ত। ইয়াত ইষ্টি, পিণ্ড পিতৃযজ্ঞ, অগ্ন্যাধ্যান, চাতুৰ্মাস্য, অগ্নিষ্টোম, বাজপেয়, ৰাজসূয় আদি গুৰুত্বপূৰ্ণ যজ্ঞৰ বৰ্ণনা পোৱা যায়। লগতে অশ্বমেধ যজ্ঞ, পুৰুষমেধ যজ্ঞ, পিতৃমেধৰ বৰ্ণনাও ইয়াত পোৱা যায়।

## অথৰ্ববেদ

অথৰ্ববেদ চতুৰ্থ বেদ। বহুদিনলৈ এই বেদ ত্ৰয়ীৰ বাহিৰত আছিল। কিন্তু ত্ৰয়ী বুলি পৰিচিত তিনিবেদৰ তুলনাত অথৰ্ববেদ জনপ্ৰিয় আছিল। আন তিনিবেদ উচ্চ সমাজত প্ৰচলিত অনুষ্ঠিত যজ্ঞবোৰত প্ৰযুক্ত হৈছিল। তাৰ বিপৰীতে ঘৰুৱা ক্ষুদ্ৰ যজ্ঞ, সংস্কাৰেৰে জড়িত হোমাদিতহে অথৰ্ববেদৰ মন্ত্ৰ প্ৰযুক্ত হৈছিল। সেইবাবে ত্ৰয়ীৰ ভিতৰুৱা বেদকেইখনক Vedas of the classes আৰু অথৰ্ববেদক Veda of the masses বুলি জনা গৈছিল।

বৈদিক সাহিত্যৰ প্ৰাক্কালত অথৰ্ববেদক অথৰ্বাঙ্গিৰস বোলা হৈছিল। অথৰ্ব আৰু আঙ্গিৰস শব্দ দুটাই দুই প্ৰকাৰ বিভাগক বুজাইছিল। শান্তি পৌষ্টিকাদি মঙ্গলময় ভাগক বুজাইছিল অথৰ্ব শব্দই। মাৰণ, উচাটন অভিচাৰ আদি অনিষ্টকাৰী—অমঙ্গলীয়া ক্ৰিয়াক বুজাইছিল আঙ্গিৰস ভাগে। তেতিয়া অথৰ্ব আৰু আঙ্গিৰস ভাগে উক্তবেদত সমানে গুৰুত্ব লাভ কৰিছিল। ইয়াৰ পাছত অথৰ্ব ভাগটোক ভৃগু শব্দটোৱে প্ৰতিনিধিত্ব কৰা হ'ল। তেতিয়া বেদখনৰ নাম হ'ল ভৃগ্বাঙ্গিৰস। শেষত আঙ্গিৰস ভাগৰ গুৰুত্ব কমি গ'ল আৰু বেদখনৰ নাম হ'ল অথৰ্ববেদ।

অথৰ্ব বেদক ব্ৰহ্মবেদ, ক্ষত্ৰবেদ, জাতবেদ, সৰ্পবেদ, পঞ্চকল্পী আদি নামেৰেও বুজোৱা হয়।

চৰণব্যূহৰ মতে অথৰ্ববেদৰ শাখা নটা। তাৰে ভিতৰত শৌনক আৰু পৈপ্পলাদ শাখা দুটাহে আবিষ্কৃত হৈছে। দুই শাখাৰ মাজত কেতবোৰ পাৰ্থক্য চকুত পৰে ঃ (১) শৌনক শাখাত আছে ৭৩১টা সূক্ত আৰু মন্ত্ৰৰ সংখ্যা ৭০০০। আনহাতে কাশ্মীৰত প্ৰাপ্ত পৈপ্পলাদ সংহিতাত মন্ত্ৰৰ সংখ্যা ৬৫০০ আৰু উৰিষ্যাত প্ৰাপ্ত পৈপ্পলাদ সংহিতাত

আছে প্ৰায় ৮০০০ মন্ত্ৰ।

(২) দ্বিজসকলে ব্ৰহ্মযজ্ঞত ব্যৱহাৰ কৰা অথৰ্ববেদৰ প্ৰতীক মন্ত্ৰটো (শন্নো দেৱীৰ ভিষ্টয় আপো ভৱন্ত পীতয়ে, শং য়োৰভি স্ৰৱন্তু নঃ) পৈপ্পলাদ সংহিতাৰ আদিতেহে পোৱা যায়। সম্ভৱতঃ এইখন সংহিতা শৌনক সংহিতাতকৈ পৰৱৰ্তী।

(৩) শৌনক সংহিতাৰ অন্তিম চৰণত প্ৰাপ্ত কুন্তাপ সূক্তবোৰ পৈপ্পলাদ সংহিতাত পোৱা নাযায়।

পৈপ্পলাদ সংহিতাৰ পাণ্ডুলিপি পলমকৈ আবিষ্কৃত হৈছে। তাৰ আগতে শৌনক সংহিতাৰ পাণ্ডুলিপি  আবিষ্কৃত আৰু প্ৰকাশিত হয়। তাৰ ফলত এই বেদৰ অধ্যয়ন, চিন্তা-চৰ্চা শৌনক সংহিতাৰ ওপৰত ভেটি কৰিয়েই আৰম্ভ হয়।

শৌণক সংহিতা কুৰিটা কাণ্ডত বিভক্ত। ইয়াৰ সূক্তবোৰৰ কিছুমানত মাত্ৰ এটা মন্ত্ৰ থকাৰ বিপৰীতে কিছুমান সূক্ত অত্যন্ত দীঘলীয়া।

প্ৰথম-সপ্তম কাণ্ডৰ সূক্তবোৰৰ মন্ত্ৰ সংখ্যা বৰ কম। অষ্টম-দ্বাদশ কাণ্ডৰ সূক্তবোৰ দীঘলীয়া। ত্ৰয়োদশ-অষ্টাদশ কাণ্ড কেইটাত বিষয়ানুসৰি মন্ত্ৰবোৰ অন্তৰ্ভুক্ত কৰা হৈছে। ত্ৰয়োদশ কাণ্ডত অধ্যাত্ম, চতুৰ্দশ কাণ্ডত বিবাহ, পঞ্চদশ আৰু ষোড়শ কাণ্ডত ব্ৰাত্য, সপ্তদশ কাণ্ডত আভ্যুদয়িক আৰু অষ্টাদশ কাণ্ডত সন্নিৱিষ্ট হৈছে পিতৃমেধ সম্বন্ধীয় মন্ত্ৰবোৰ।

ঊনবিংশ আৰু বিংশ কাণ্ড দুটাত সন্নিৱিষ্ট মন্ত্ৰবোৰৰ অধিকখিনি ঋগ্বেদৰ পৰা আহৰণ কৰা হৈছে। ঋগ্বেদৰ দশম মণ্ডলৰ মন্ত্ৰবোৰৰ সৈতে অথৰ্ববেদৰ মন্ত্ৰবোৰৰ অধিক মিল দেখা যায়। বিংশ কাণ্ডৰ শেষত প্ৰাপ্ত কুন্তাপ সূক্তবোৰ অৱশ্যে মৌলিক আৰু ধূসৰ।

অথৰ্ব বেদৰ বিষয়-বস্তুৰ বৈচিত্ৰ চকুত লগা বিধৰ। ইয়াত প্ৰাপ্ত বিষয়বস্তু মুখ্যতঃ তিনিভাগত ভগাব পাৰি, যেনে ঃ (১) আধ্যাত্মিক, (২) আধিদৈৱিক আৰু (৩) আধিভৌতিক। ব্ৰহ্ম, পৰম ব্ৰহ্ম, আদি বিষয়ক মন্ত্ৰবোৰ আধ্যাত্মিক। দেব-দেৱতা, যজ্ঞ বিষয়ক মন্ত্ৰবোৰ আধিদৈৱিক আৰু ৰাজকৰ্ম, অভিচাৰ শান্তি-পৌষ্টিক আদি বিষয়ক মন্ত্ৰবোৰ আধিভৌতিক। পশ্চিমীয় পণ্ডিতসকলে অথৰ্ববেদৰ মন্ত্ৰবোৰৰ বিষয় বস্তু চৈধ্যটা ভাগত ভাগ কৰি আলোচনা কৰিছে।